পেজমেকাৰত বা অন্যান্য মাধ্যমসমূহত অসমীয়া ভাষাত লিখিবলৈ এই ছফটৱেৰটোৱেই সৰ্বাধিক ব্যৱহাৰ হয়। ৰামধেনু কি-পেডৰ দ্বাৰা ইউনিক'ড আৰু ননইউনিক'ড দুয়োটা মাধ্যমতে অসমীয়া ভাষাত লিখিব পাৰি।

## জাহ্নৱী (Jahnabi)

জাহ্নৱী ছফটৱেৰটো নিৰ্মাণ হয় ২০১২ চনত। নিৰ্মাতা—উৎপল ফুকন। জাহ্নৱী সঁজুলিটোত OCR সঁজুলি, ৰূপান্তৰক (Converter) আদি সেৱাও উপলব্ধ। অসমীয়া, বাংলা, হিন্দী, তাই-আহোম আদি ভাষাত জাহ্নৱী কি-পেড উপলব্ধ। জাহ্নৱীৰ সঁজুলিসমূহ অৱশ্যে বিনামূলীয়া নহয়।

## লাচিত (Lachit)

লাচিত হৈছে অসমীয়া ভাষাৰ লিখন সঁজুলিৰ এটা সম্পূৰ্ণ পেকেজ। লাচিত ডট অৰ্গৰ আৰম্ভ হয় ২০১৩ চনত। নিৰ্মাতা—মৃদুল কুমাৰ শৰ্মা। লাচিত ডট অৰ্গৰ সঁজুলিসমূহ সম্পূৰ্ণ বিনামূলীয়া। সেইদৰে OCR সঁজুলি, ৰূপান্তৰক (Converter) আদিও লাচিত ডট অৰ্গত উপলব্ধ। ইনস্ক্রিপ্ট আৰু ফনেটিক দুয়োটা পদ্ধতিতে ইয়াৰ কি-পেডসমূহ পোৱা যায়। এই লাচিত কনভাৰ্টাৰৰ দ্বাৰা পেজমেকাৰৰ ফাইল এটা যান্ত্রিকভাৱেই ইউনিক'ডলৈ ৰূপান্তৰ কৰি নিব পাৰি।

## ইজি ডিটিপি ছফটৱেৰ (Easy DTP Software)

এই ছফটৱেৰৰ নিৰ্মাতা অনিল বৰুৱা। তেওঁ অসমীয়া ভাষা আৰু ছফটৱেৰ বিকাশ কেন্দ্ৰৰ লগতো জড়িত। অনিল বৰুৱাই বৰ্তমান 'সাৰথি' নামৰ এখন ই-অভিধান প্ৰস্তুত কৰি প্ৰকাশ কৰিছে। এই সেৱা ম'বাইল ফোনত উপলব্ধ।

## উইনলিপি (Winlipi)

Informer Technologies কোম্পানিয়ে এই ছফটৱেৰ প্ৰস্তুত কৰিছে। পেজমেকাৰত উইনলিপিৰ জৰিয়তে অসমীয়া ভাষাত ডিটিপি কৰিব পাৰি।

## ৱিকিপিডিয়া কি?

ৱিকিপিডিয়া (Wikipedia) হৈছে অব্যৱসায়িক, মুক্ত, ৱেবভিত্তিক, সহযোগিতামূলক, বহুভাষিক বিশ্বকোষ বা তথ্যকোষ। ৱিকিপিডিয়াৰ প্ৰতিষ্ঠাপক হৈছে লেৰি ছেংগাৰ আৰু জিমি ৱেলছ। জিমি ৱেলছৰ মতে ৱিকিপিডিয়া হৈছে—"পৃথিৱীৰ প্ৰত্যেক ব্যক্তিৰ মাতৃভাষাতে এখন উৎকৃষ্ট মানৰ বহুভাষিক মুক্ত বিশ্বকোষ ৰচনাৰ প্ৰয়াস। ৱিকিপিডিয়াৰ লক্ষ্য হৈছে সকলোৱে বিনামূলীয়াকৈ পাব পৰাকৈ জ্ঞান আৰু তথ্যৰ বিতৰণ।" ২০০১ চনৰ ১৫ জানুৱাৰিত জিমি ৱেলছ আৰু লেৰি ছেংগাৰে এই বৃহত্তৰ ৱিকিপিডিয়া ৱেবছাইটটি মুকলি কৰে। বিশ্বৰ যিকোনো ভাষাৰ সাহিত্য-সমাজ-সংস্কৃতিৰ প্ৰতিটো বিষয়েই তথ্যসহ আৰু তথ্যৰ উৎসসহ এই বৃহত্তৰ ৱেবছাইটোত সংকলিত ৰূপত সংৰক্ষণ কৰা হয়। বৰ্তমান বিশ্বৰ ৩২১টা ভাষাত ৱিকিপিডিয়াৰ সেৱা উপলব্ধ। ৱিকিপিডিয়াৰ মুখ্য কাৰ্যালয় আছে আমেৰিকা যুক্তৰাজ্যত। ৱিকিপিডিয়াৰ পৃষ্ঠাত প্ৰকাশ কৰা তথ্য আৰু প্ৰকাশযোগ্য প্ৰবন্ধৰ কোনো সীমাবদ্ধতা নাই। প্ৰবন্ধৰ সৈতে তথ্য উৎস দিয়াটো ৱিকিপিডিয়াৰ প্ৰধান বিশেষত্ব। উল্লেখযোগ্য যে আমেৰিকাত ২০০১ চনত ৱিকিপিডিয়া জন্ম হোৱাৰ ঠিক এবছৰ পাছতেই অৰ্থাৎ ২০০২ চনৰ জুন মাহত অসমীয়া ৱিকিপিডিয়াৰ আৰম্ভ হয়। বৰ্তমান অসমীয়া ৱিকিপিডিয়াত ৯০০০ তকৈও অধিক প্ৰবন্ধ আছে।

## আমি কিয় ৱিকিপিডিয়াত লিখিব লাগে?

(ক) প্ৰথম কথা জাতীয় চেতনা। আমি যে অসমৰ বুলি পৰিচয় দি ভাল পাওঁ, অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ লোক বুলি কৈ ভাল পাওঁ। ইয়াৰ অন্তৰালত আমাৰ জাতীয় চেতনা জড়িত হৈ আছে। গতিকে আমি বৰ্তমানৰ লগতে ভৱিষ্যৎ কাললৈকো অসমীয়া বুলি পৰিচয় দিবলৈ আৰু অসমৰ বুলি পৰিচয় দিবলৈকে সমসাময়িক যুগৰ লগত সংগতি ৰাখি ডিজিটেল মাধ্যমত কাম কৰা দৰকাৰ। আৰু কাম কৰাৰ মাধ্যম হিচাপে আমি অসমৰ ৰাজ্যিক ভাষা 'অসমীয়া'ক গুৰুত্ব দিব লাগে। বিশ্বৰ যিকোনো 'চাৰ্চ ইঞ্জিন'ত ৱিকিপিডিয়াত থকা তথ্য এটাহে প্ৰথমেই চাৰ্চেবʼল হৈ আহে। আৰু ই সমগ্ৰ বিশ্বৰেই এটা নিৰ্ভৰযোগ্য ৱেবছাইট। এই ৱেবছাইট পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰ আৰু প্ৰতিখন ৰাজ্যতেই আছে। সকলোৱেই নিজৰ নিজৰ ভাষাত একেখন প্লেটফৰ্মতে লিখা-মেলা কৰে। তাতোকৈ গুৰুত্বপূৰ্ণ কথা, যিকোনো এজন ব্যক্তিয়েই এই ৱেবছাইটত এটা একাউণ্ট সৃষ্টি কৰি তথ্যভিত্তিক প্ৰবন্ধ লিখিব পাৰে। সেয়েহে আমি ৱিকিপিডিয়াত লিখিব লাগে।

(খ) ভূপেন হাজৰিকাই কৈছিল—"আনৰে লগতে অসমীয়া অসমতে যদিহে নাবাচে বাৰু ক'তনো বাচিব।" আমি অসমৰ জনসাধাৰণে নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈকে ডিজিটেল মাধ্যমত অসমীয়া ভাষাটোৰে কাম-কাজ কৰা দৰকাৰ। আমাক ইংৰাজী বা হিন্দী ভাষাও লাগিব আৰু বিশ্বৰ অন্যান্য ঠাইৰ মানুহৰ দৰে আমাৰ মাজৰো কিছু সংখ্যক লোকে ডিজিটেল মাধ্যমত অসমীয়া ভাষাৰ সমান্তৰালভাৱে সেইবোৰ ভাষাৰ বিকাশৰ বাবেও কাম কৰিব। কিন্তু তাৰ পাছতো—ভাল ভাৰতীয় হ'বলৈ এজন ভাল অসমীয়া হোৱাটো যিদৰে প্ৰয়োজনীয়; সেইদৰেই ভাল অসমীয়া হৈ থাকিবলৈকে ডিজিটেল মাধ্যমটোত আমাৰ অস্তিত্ব জাহিৰ কৰি থকাটো আটাইতকৈ প্ৰয়োজনীয় কৰ্ম। যদিহে আমি সময়ৰ সৈতে নিজৰ জাতিটো, নিজৰ ভাষাটোক আগবঢ়াই লৈ যাব নোৱাৰোঁ, তেন্তে আমি প্ৰভাৱশালী জাতিৰ ওচৰত হাৰ মানিব লাগিব। সেয়েহে আমি পাৰ্যমানে এই ৱেবছাইটটোত আমাৰ জাতিটোৰ বিভিন্ন সমল একত্ৰ কৰি সমৃদ্ধ কৰা দৰকাৰ। আমাৰ আগ্ৰহ থাকিলে আমি প্ৰতিজন সচেতন ব্যক্তিয়েই ৱিকিপিডিয়াত অৱদান আগবঢ়াব পাৰোঁ।

(গ) আমাৰ ভৱিষ্যৎ প্ৰজন্মটোৱে যাতে নিজৰ ৰাজ্যিক ভাষাটো ডিজিটেল ক্ষেত্ৰখনত সহজতে পাব পাৰে; তেওঁলোক যাতে নিৰাশ নহৈ অন্যান্য প্ৰভাৱশালী ভাষাৰ ওচৰত জন্মৰে পৰা হাত পাতিবলগীয়া নহয়; তাৰ ব্যৱস্থা কৰিবলৈকে আমি অসমৰ মানুহে অসমীয়া ভাষাত ৱিকিপিডিয়া বা সেইধৰণৰ নব্য মাধ্যমসমূহত লিখা-মেলা কৰিব লাগে।

(ঘ) অসমত বসবাস কৰা সকলো লোকেই ইংৰাজী বা হিন্দী ভাষা নাজানে। কিন্তু বিশ্ব সভ্যতাৰ প্ৰতিটো বিষয়ৰে তথ্য বা জ্ঞান লাভ কৰিবলৈ তেওঁলোকে আগ্ৰহ প্ৰকাশ কৰিব পাৰে। গতিকে ডিজিটেল ক্ষেত্ৰখনত তথ্য আৰু জ্ঞানৰ এই বিষয়বোৰ মাতৃভাষাত উপলব্ধ কৰাবলৈকে আমি অসমীয়া ভাষাত লিখিব লাগে। যিহেতু বৰ্তমান সময়ত সকলোৰে হাতত ম'বাইল ফোন থাকে আৰু ই মানৱ-জীৱনৰ প্ৰয়োজনীয় উপাদান হৈ পৰিছে। গতিকে সেই ম'বাইল ফোনটোত আমাৰ জাতিটোক ডিজিটেল ৰূপত উপলব্ধ কৰাব পাৰিব লাগিব।

## ৱিকিপিডিয়াত লিখিবলৈ প্ৰাৰম্ভিক প্ৰস্তুতি

ৱিকিপিডিয়াত লিখিবলৈ কোনো ডিগ্ৰিৰ প্ৰয়োজন নাই। বয়সৰ কোনো ধৰাবন্ধা নাই। কোন জাতি বা কোন ধৰ্মৰ হ'ব লাগিব, তাৰো কোনো নিয়ম নাই। মুঠতে বিশ্বৰ যিকোনো প্ৰান্তৰ পৰা যিকোনো এজন ব্যক্তিয়েই ৱিকিপিডিয়াত লিখিব পাৰে। মাত্ৰ ব্যক্তিজনৰ এটা ম'বাইল ফোন বা লেপটপ থাকিব লাগে আৰু তাত অসমীয়া ভাষাটো লিখিব পৰা কি-বৰ্ড সংযুক্ত থাকিলেই হ'ব। অৱশ্যে ৱিকিপিডিয়াত লিখিব খোজা ব্যক্তিজনৰ গভীৰ জাতিপ্ৰেম আৰু ভাষাপ্ৰেম থকা দৰকাৰ। নহ'লে এই কামটো তেওঁ দীৰ্ঘদীন বৰ্তাই ৰাখিব নোৱাৰিবগৈ। ৱিকিপিডিয়াত লিখাৰ সামগ্ৰিক কামটো প্ৰচাৰ অবিহনে আৰু নিৰলসভাৱে নিজৰ মনৰ তাগিদামতে কৰি থকা কাম এটাহে। ইয়াত লিখি কোনো গ্লেমাৰ বা সন্মান পোৱা নাযায়। টকা-পইচাও পোৱা